**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-01-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। সমগ্ৰ বিশ্বই সিন্দুৰ অভিযানৰ সময়ত প্ৰতিৰক্ষা বাহিনীসমূহৰ সাহস আৰু শক্তি প্ৰত্যক্ষ কৰা বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মন্তব্য কৰে।

২। লোকসভাত, আজি বিমান দুৰ্ঘটনাত মৃত্যু হোৱা মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰ, বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী খালেদা জিয়া আৰু সদ্যপ্ৰয়াত আন পাঁচগৰাকী সদস্যৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়।

৩। দেশৰ যুৱচামে বৰ্তমান সাহসিকতা তথা ৰাষ্ট্ৰ প্ৰথম মনোভাৱৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাৰ পৰিচয় দিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

৪। বিমান দুৰ্ঘটনা তদন্তকাৰী সংস্থাই বাৰামটি বিমান বন্দৰত সংঘটিত দুৰ্ঘটনাত মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰসহ আন চাৰিজন লোকৰ মৃত্যুৰ ঘটনাৰ তদন্ত কৰিব।

আৰু

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ টি- ২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত ভাৰতে টছত জিকি নিউজিলেণ্ডক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়।

০০০০০০০

সমগ্ৰ বিশ্বই সিন্দুৰ অভিযানৰ সময়ত প্ৰতিৰক্ষা বাহিনীসমূহৰ সাহস আৰু শক্তি প্ৰত্যক্ষ কৰা বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মন্তব্য কৰিছে। বাজেট অধিবেশনৰ আজি প্ৰথম দিনা সংসদৰ উভয় সদনক উদ্দেশি ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে দেশে নিজৰ সম্পদৰাজী ব্যৱহাৰ কৰি সন্ত্ৰাসবাদী ঘাটি সমূহ ধ্বংস কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে ভাৰতৰ ওপৰত হোৱা যিকোনো সন্ত্ৰাসবাদী আক্ৰমণৰ বিৰুদ্ধে দৃঢ় আৰু নিৰ্ণায়ক প্ৰত্যুত্তৰ দিয়া হ'ব বুলি চৰকাৰে শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে। সিন্ধু জল চুক্তি প্ৰত্যাহাৰো ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী যুঁজৰ অংশ বুলি শ্ৰীমতী মুৰ্মুৱে মন্তব্য কৰে। তেওঁ কয় যে দেশৰ প্ৰতিৰক্ষা ব্যৱস্থা সুদৃঢ় কৰাৰ উদ্দেশ্যে সুদৰ্শন চক্ৰ মিছন চলি আছে।

তেওঁ কয় যে চৰকাৰৰ দৃঢ় নীতি আৰু উদ্যমৰ বাবেই দেশত কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি পাইছে। দেশত অভিলেখ পৰিমাণৰ খাদ্যসামগ্ৰী আৰু উদ্যান শস্য উৎপাদন হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে চৰকাৰে বৰ্তমান কৃষি খণ্ডত উৎপাদনৰ ক্ষেত্ৰত পিছ পৰি থকা শস্যসমূহৰ উৎপাদন বৃদ্ধিৰ বাবে কাম কৰি আছে। শ্ৰীমতী মুৰ্মুৱে কয় যে বিগত ১১ বছৰত উত্তৰ পূৰ্বাঞ্চলত ৭ হাজাৰ ২০০ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হৈছে। ইয়াৰ ফলত দূৰণিবটীয়া দুৰ্গম এলেকা, পাৰ্বত্য এলেকা, জনজাতি বসতিপ্ৰধান অঞ্চল আৰু সীমান্ত এলেকাসমূহৰ সৈতে যোগাযোগ সুচল হৈছে বুলি শ্ৰীমতী মুৰ্মুৱে মন্তব্য কৰে। তেওঁ কয় যে গ্ৰামাঞ্চলৰ উন্নয়ন আৰু কৰ্মসংস্থাপন সৃষ্টিৰ উদ্দেশ্য বিকশিত ভাৰত জি ৰাম জি

নামৰ এখন আইন প্ৰণয়ন কৰা হৈছে। এই নতুন আইনৰ জৰিয়তে গাঁওসমূহত ১২৫ দিনৰ কৰ্মসংস্থাপন নিশ্চিত কৰাৰ লগতে একে সময়তে আইনখনে দুনীতি নিয়ন্ত্ৰণ আৰু হৰলুকি ৰোধ কৰাত সহায় কৰিব বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে ৰাষ্ট্ৰপতিৰ এই ভাষণক অতি বহল পৰিসৰ আৰু দূৰদৃষ্টিসম্পন্ন বুলি উল্লেখ কৰে। এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণণে কয় যে এই ভাষণত ভাৰতৰ উল্লেখনীয় বিকাশ যাত্ৰাক স্পষ্টভাৱে দাঙি ধৰাৰ লগতে ভৱিষ্যতৰ বাবে বিশ্বাসযোগ্য ৰূপৰেখাৰ বিষয়ে উল্লেখ কৰা হৈছে। তেওঁ লগতে কয় যে ৰাষ্ট্ৰপতিৰ ভাষণত সৰ্বাংগীন আৰু জনসাধাৰণকেন্দ্ৰিক বিকাশৰ প্ৰতি শক্তিশালী প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰি ৰাষ্ট্ৰীয় বিকাশৰ সকলোবোৰ দিশ সামৰি লোৱা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও শ্ৰীমতী মুৰ্মুৰ ভাষণ সন্দৰ্ভত কয় যে তেওঁৰ ভাষণত ভাৰতৰ শেহতীয়া বিকাশযাত্ৰা প্ৰতিফলিত হয়।

0000000

লোকসভাত, আজি বিমান দুৰ্ঘটনাত মৃত্যু হোৱা মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰ, বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী খালেদা জিয়া আৰু সদ্যপ্ৰয়াত আন পাঁচগৰাকী সদস্য শ্বালিনী পাটিল, ভানুপ্ৰকাশ মিৰ্ধা, সত্যেন্দ্ৰ নাথ, ব্ৰহ্ম চৌধুৰী, সুৰেশ কালমাডি আৰু কবীন্দ্ৰ পুৰকায়স্থৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। সদনত তেওঁলোকৰ আত্মাৰ শান্তি কামনাৰে কিছু সময় মৌনতা অৱলম্বন কৰ হয়। উল্লেখযোগ্য যে মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী পাৱাৰ দশম লোকসভাৰ সদস্য আছিল। সংসদৰ যুটীয়া অধিবেশনক উদ্দেশ্যি দিয়া ৰাষ্ট্ৰপতিৰ ভাষণৰ পাছত সদন মিলিত হোৱাৰ সময়ত নিম্ন সদনৰ সাধাৰণ সচিবে ৰাষ্ট্ৰপতি ভাষণৰ প্ৰতিলিপি দাখিল কৰে। পাছত দিনটোৰ বাবে লোকসভাৰ কাৰ্যক্ৰমণিকা স্থগিত ঘোষণা কৰা হয়।

ৰাজ্যসভাতো সদনৰ সাধাৰণ সচিবে ৰাষ্ট্ৰপতিৰ ভাষণৰ প্ৰতিলিপি দাখিল কৰে। উচ্চ সদনখনে শেহতীয়াকৈ মৃত্যু হোৱা দুগৰাকী সদস্য এল গণেশন আৰু সুৰেশ কালমাডিলৈ শ্ৰদ্ধা নিবেদন কৰে। ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে কয় যে বেগম খালেদাজীয়ে বাংলাদেশৰ বিকাশ তথা ভাৰত-বাংলাদেশ দ্বিপাক্ষিক সম্পৰ্ক স্থাপনত ভূমিকা পালন কৰিছিল। ইয়াৰ পাছতে ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকাও দিনটোৰ বাবে স্থগিত ৰখা হয়।

00000000

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে ৰাষ্ট্ৰপতিৰ ভাষণৰ সময়ত বিৰোধী পক্ষই কৰা আচৰণৰ কঠোৰ ভাষাৰে সমালোচনা কৰিছে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীৰিজিজুৱে বিৰোধী পক্ষৰ এনে আচৰণ সমগ্ৰ দেশৰ বাবে লজ্জাৰ বিষয় বুলি উল্লেখ কৰে। এনে আচৰণৰ বাবে কংগ্ৰেছ আৰু ইয়াৰ সহযোগী দলসমূহক কেতিয়াও ক্ষমা কৰা নহ'ব বুলি তেওঁ কয়। বন্দে মাতৰমৰ ডেৰশ বছৰীয়া জয়ন্তী আৰু বংকিম চন্দ্ৰ চট্টোপধ্যায়ক শ্ৰদ্ধাঞ্জলি জনোৱাৰ সময়তে বিৰোধীয়ে হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰা বুলি শ্ৰীৰিজিজুৱে উল্লেখ কৰে।

000000000

দেশৰ যুৱচামে বৰ্তমান সাহসিকতা তথা ৰাষ্ট্ৰ প্ৰথম মনোভাৱৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাৰ পৰিচয় দিয়ে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে। নতুন দিল্লীৰ কাৰিয়াপ্পা পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত বাৰ্ষিক এন চি চি পিএম ৰেলীত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, এন চি চি হৈছে এটা আন্দোলন, যি আন্দোলনে দেশৰ যুৱচামক আস্থা, নিয়মানুৱৰ্তিতা আৰু ৰাষ্ট্ৰৰ প্ৰতি সংবেদনশীল

নাগৰিক হিচাপে গঢ়ি তুলিছে। তেওঁ কয় যে বৰ্তমান সময়ত সমগ্ৰ বিশ্বই পৰম আস্থাৰে ভাৰতৰ যুৱশক্তিলৈ চায়। যুৱক-যুৱতীসকলৰ দক্ষতা আৰু সংস্কৃতিৰ বাবে এয়া সম্ভৱ হৈছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা আহি সমবেত হোৱা কেডেট আৰু বিষয়াসকললৈ শুভেচ্ছা জনাই কয় যে বিগত বছৰসমূহত সীমান্ত আৰু উপকূলীয় অঞ্চলসমূহৰ কেডেটৰ অন্তৰ্ভুক্তিকে ধৰি এন চি চিৰ সামৰ্থ্য ১৪ৰ পৰা ২০ লাখ কেডেটলৈ বৃদ্ধি হৈছে।

উল্লেখযোগ্য যে, এই বছৰৰ এন চি চি পিএম ৰেলীৰ বিষয়বস্তু হৈছে ৰাষ্ট্ৰ প্ৰথম - কৰ্তব্যনিষ্ঠ যুৱক-যুৱতী। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, এন চি চিৰ মাহজোৰা গণৰাজ্য দিৱস শিবিৰৰ সামৰণি উপলক্ষে আয়োজন কৰা এই পিএম ৰেলীত সমগ্ৰ দেশৰ দুহেজাৰ ৪০৬গৰাকী কেডেটে অংশগ্ৰহণ কৰে। ইয়াৰ ভিতৰত ৮৯৮গৰাকী হৈছে ছোৱালী কেডেট। তদুপৰি এই ৰেলীত ২১খন দেশৰ ২০৭গৰাকী যুৱক-যুৱতী তথা বিষয়াই অংশগ্ৰহণ কৰে। অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং উপস্থিত থাকে।

০০০০০০০০০

বিমান দুৰ্ঘটনা তদন্তকাৰী সংস্থা, এ এ আই বিয়ে বাৰামটি বিমান বন্দৰত সংঘটিত দুৰ্ঘটনাত আজি মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰসহ আন চাৰিজন লোকৰ মৃত্যুৰ ঘটনাৰ তদন্ত কৰিব। এ এ আই বিৰ সঞ্চালক প্ৰধান ইতিমধ্যে তদন্তৰ বাবে ঘটনাস্থলীত উপস্থিত হৈছে। দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰি তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰাৰ বাবে এ এ আই বিৰ দল দিল্লীৰ পৰা পুণেলৈ ৰাওনা হৈছে বুলি অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ভি আই এছ এছ কে বিমানখনে পুৱা ৮ বাজি ১৮ মিনিটত বাৰামটি বিমান বন্দৰৰ সৈতে প্ৰথমবাৰ সম্পৰ্ক স্থাপন কৰে। ৰাণৱে ১১ত অৱতৰণৰ বাবে বিমানখনে প্ৰয়াস কৰিছিল যদিও ৰাণৱে দেখা নোপোৱাৰ বাবে প্ৰথম প্ৰয়াসত বিমানখনক গ' এৰাউণ্ড অৰ্থাৎ পুনৰ উৰণৰ বাবে নিৰ্দেশ দিয়া হয়। ইয়াৰ পাছত বিমানখনৰ অৱস্থিতি সম্পৰ্কে বিমান পৰিবহন নিয়ন্ত্ৰণ কক্ষক জনাবলৈ কোৱা হয়। মন্ত্ৰালয়ে জনোৱা মতে পুৱা ৮ বাজি ৪৩ মিনিটত পুনৰ বিমানখনক ৰাণৱে ১১ত অৱতৰণৰ বাবে অনুমতি দিয়া হৈছিল যদিও বিমানখনৰ তৰফৰ পৰা ইয়াৰ অৱস্থিতি সম্পৰ্কে কোনো তথ্য আহৰণ কৰিব পৰা নগ'ল। ইয়াৰ ১ মিনিট পাছতে বিমান পৰিবহন নিয়ন্ত্ৰণ শাখাই ১১ নম্বৰ ৰাণৱেত জুই দেখা পায় আৰু জৰুৰীকালীন সেৱা দলক তৎকালীনভাৱে দুৰ্ঘটনীস্থলীলৈ প্ৰেৰণ কৰে।

০০০০০০০০

৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ সামৰণি উপলক্ষে নতুন দিল্লীৰ বিজয় চ'কত কাইলৈ বীটিং ৰিট্ৰিট ২০২৬ অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে অন্যান্য কেন্দ্ৰীয় মন্ত্ৰীসকল উপস্থিত থাকিব। অনুষ্ঠানত স্থল সেনা, নৌ সেনা, বায়ু সেনা আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ বেণ্ড প্ৰদৰ্শন কৰা হ'ব।

০০০০০০০

স্বাস্থ্য সেৱা খণ্ডত সকলো ধৰণৰ সুবিধা প্ৰদানৰ লক্ষ্যৰে সমগ্ৰ দেশতে প্ৰায় ১২ হাজাৰ আয়ুষ স্বাস্থ্য আৰু আৰোগ্য কেন্দ্ৰ স্থাপন কৰা হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। কেৰালাৰ আৰ্য বৈদ্য শালা চেৰিটেবল হাস্পতালৰ ১২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এই সুদীৰ্ঘ যাত্ৰাত এই প্ৰতিষ্ঠানটোৱে আয়ুৰ্বেদক চিকিৎসাৰ শক্তিশালী পদ্ধতি হিচাপে গঢ়ি তুলিলে। তেওঁ কয় যে বৈদ্য চিকিৎসালয়ে ইয়াৰ আৰম্ভণিৰে পৰা নিৰন্তৰ জনসাধাৰণক চিকিৎসা সেৱা প্ৰদান কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে এই চিকিৎসালয়খনৰ প্ৰতিষ্ঠাপক বৈদ্যৰত্নম পি এছ

ৰাৰিয়াৰৰ অৱদানৰ কথা সুঁৱৰি কয় যে আয়ুৰ্বেদ তথা জনকল্যাণৰ প্ৰতি ৰাৰিয়াৰৰ সমৰ্পনে জনসাধাৰণক অনুপ্ৰাণিত কৰি আহিছে।

আয়ুৰ্বেদৰ দীঘলীয়া চিকিৎসা পদ্ধতি সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি শ্ৰীমোদীয়ে কয় যে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ আয়ুৰ্বেদ চিকিৎসা কৰি অহা হৈছে আৰু এই চিকিৎসা পদ্ধতি সদায় ফলপ্ৰসূ হৈছে। তেওঁ কয় যে আয়ুষ আধাৰিত চিকিৎসা ব্যৱস্থাৰ ক্ষেত্ৰত বিশ্বাসযোগ্য স্থান হিচাপে ভাৰতৰ বিকাশ হৈছে। আয়ুষ ভিছাই বিদেশী নাগৰিকসকলক আয়ুৰ্বেদ আৰু পৰম্পৰাগত চিকিৎসা লাভৰ ক্ষেত্ৰত সহায় কৰিছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে চৰকাৰে ভাৰতীয় পৰম্পৰাগত চিকিৎসা ব্যৱস্থাক সমগ্ৰ বিশ্বত প্ৰসাৰৰ অৰ্থে আয়ুষ ৰপ্তানি প্ৰচাৰ পৰিষদ গঠন কৰিছে। ভাৰতৰ আয়ুষ আৰু বনৌষধ সামগ্ৰীৰ ৰপ্তানি ২০১৪ চনৰ ৩ হাজাৰ কোটিৰ পৰা বৰ্তমান ছহেজাৰ ৫০০ কোটি টকালৈ বৃদ্ধি হৈছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

oooooooo

বিশাখাপট্টনমত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি- ২০ ক্ৰিকেট শৃংখলাৰ আজি চতুৰ্থখন খেলত ভাৰতে টছত জিকি নিউজিলেণ্ডক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। আমালৈ বাতৰি অহা পৰলৈ নিউজিলেণ্ডে ৩ অভাৰত এটাও উইকেট নেহেৰুৱাই ৩০ ৰাণ সংগ্ৰহ কৰিছে। ভাৰতে ইতিমধ্যে প্ৰথম ৩খন খেলত জয়লাভ কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল-অহা ৩১ জানুৱাৰীত তিৰুৱনন্তপুৰমৰ গ্ৰীণ ফিল্ড ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ooooooooo

সমাপ্ত